BIKALI COLLEGE LIBRARY



# 2024

## ASSAMESE

Paper : ASS0300104

**( Asamar Sanskriti Adhyayan )**

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×৮=৮

(ক) অষ্ট্রিক প্রজাতিৰ লোকসকলক বৈদিক সাহিত্যত কি নামেৰে জনা যায়?

(খ) সংস্কৃতিক বুজাবলৈ 'culture' শব্দটো সৰ্বপ্ৰথমে কোনে ব্যৱহাৰ কৰিছিল?

(গ) গাৰ্জা পূজা কোন জনগোষ্ঠীৰ লোকে পালন কৰে?

(ঘ) 'হাইমু' কোন জনগোষ্ঠীৰ লোকগীত?

(ঙ) পুৰণি অসমত শিৱমন্দিৰত নচা নাচক কি নাচ বুলিছিল?

(চ) দোৱাৰী বা দোহাৰী কি লোকনাটৰ চৰিত্ৰ?

(ছ) 'মিদাং' কোন জনগোষ্ঠীৰ বিবাহ পদ্ধতি?

(জ) সত্ৰীয়া নৃত্যত ব্যৱহৃত মুদ্ৰাক কি বোলে?

BIKALI COLLEGE LIBRARY



২। তলত যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ২×৬=১২

(ক) ড. বাণীকান্ত কাকতিয়ে 'অসম' নামটোৰ ব্যাখ্যা কেনেদৰে দেখুৱাইছে, উল্লেখ কৰা।

(খ) অসমৰ ইন্দ-মঙ্গোলীয় প্ৰজাতিক ভাষিকভাৱে কি নামেৰে বুজোৱা হয় আৰু ইয়াৰ প্ৰধান ভাগ দুটা কি কি?

(গ) নলুৱা চলুৱা কোন জনগোষ্ঠীৰ বাচিক কলা আৰু ইয়াক কিহৰ প্ৰতীক বুলি ধৰা হয়?

(ঘ) জাগাৰ পূজা কি? ইয়াক অসমৰ কোন অঞ্চলত পালন কৰা হয়?

(ঙ) দেওধনী নৃত্য কি পূজাত অনুষ্ঠিত হয়? এই নৃত্যৰ সতে কোনবিধ ওজাপালি জড়িত?

(চ) অগ্নিগড় কোনবিধ পৰিৱেশ্য কলাৰ সতে জড়িত? ইয়াক কিহৰ প্ৰতীক বুলি ভবা হয়?

(ছ) 'হাইদাংগীত' কোন জনগোষ্ঠীৰ লগত জড়িত? এই হাইদাং শব্দৰ অৰ্থ ব্যাখ্যা কৰা।

(জ) 'আই নাম'ৰ উপাস্য দেৱী কোন? তেওঁক আই বুলি সম্বোধন কৰাৰ তাৎপৰ্য কি?

(ঝ) ভটিমা কি আৰু ইয়াৰ প্ৰকাৰভেদকেইটা কি কি?

(ঞ) ভাৱীগান বা ভাওগান কোন অঞ্চলৰ লোকনাট? ইয়াৰ কাহিনীবস্তু প্ৰধানতঃ ক'ৰ পৰা গ্ৰহণ কৰা হয়?

BIKALI COLLEGE LIBRARY



৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) কৃষ্টি আৰু সংস্কৃতিৰ স্বৰূপ বিচাৰ কৰা।

(খ) লোকসংস্কৃতিৰ প্ৰকাৰভেদ সম্বন্ধে আলোচনা কৰা।

(গ) অসমৰ শাক্তধৰ্মীয় পৰম্পৰা সম্বন্ধে বিচাৰ কৰা।

(ঘ) হুদুমদেও পূজা আৰু ইয়াৰ লগত জড়িত লোকবিশ্বাস সম্পৰ্কে আভাস দিয়া।

(ঙ) বিহু উৎসৱৰ লগত জড়িত উৰ্বৰা বিশ্বাস সম্বন্ধে আলোচনা কৰা।

(চ) খুলীয়া ভাউৰীয়াৰ বহুৱা চৰিত্ৰৰ প্ৰকাৰ্য বিচাৰ কৰা।

(ছ) কাৰ্বিসকলৰ চমাংকান আৰু ৰাভাসকলৰ ফাৰকান্তি অনুষ্ঠানৰ সাদৃশ্য বিচাৰ কৰা।

(জ) ব্যাস গোৱা আৰু সুকনানি ওজাপালিৰ পাৰ্থক্য বিচাৰ কৰা।

৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) সংস্কৃতিৰ সংজ্ঞা আৰু প্ৰকাৰভেদ দাঙি ধৰি অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য বিচাৰ কৰা।

(খ) অসমলৈ প্ৰব্ৰজন ঘটা মানুহৰ প্ৰধান প্ৰজাতিসমূহ উল্লেখ কৰি সেইবোৰৰ নৃ-গোষ্ঠীয় বৈশিষ্ট্যৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

BIKALI COLLEGE LIBRARY



(গ) অসমৰ পৰম্পৰাগত হস্তশিল্পসমূহক শ্ৰেণীবিভাজন কৰি তাৰে যি কোনো এটা শ্ৰেণীৰ ব্যৱহাৰিক দিশ সম্বন্ধে আলোচনা কৰা।

(ঘ) জনজাতীয় সংস্কৃতি বুলিলে কি বুজা? অসমীয়া সংস্কৃতিত জনজাতীয় সংস্কৃতিৰ সমল ক'ত, কেনেধৰণে পৰিলক্ষিত হয় বিচাৰ কৰি এটি আলোচনা আগবঢ়োৱা।

(ঙ) মাৰ্গীয় সংস্কৃতি মানে কি? মাৰ্গীয় সংস্কৃতি হিচাপে সত্ৰীয়া নৃত্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

★★★